***Chintakalpa*** — An academic journal of Jhanji Hemnath Sarmah College Teachers' unit edited by Birinchi Kr. Borah and published by Chandan Dutta, Secretary, Teachers' Unit, Jhanji H. N. S. College, Sivasagar, Jhanji (Jamuguri)

---

***Editorial Board :***

Prabhat Ch. Borthakur,
President, Teachers' Unit
Chandan Dutta,
Secretary, Teachers' Unit
Bhaskar Jyoti Mahanta,
Member

***Editor :***

Birinchi Kr. Borah

***Price :***

Rs. 20.00 only.

***D. T. P. & Printing :***

Pioneer Offset Printers,
Amguri, Jhanji-Amguri Road

Office of the Principal
জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়
**Jhanji Hem Nath Sarma College**
Jhanji, Jamuguri (Sivasagar)
Estd. - 1964

*Ref. No.* *Date. 12.01.07*

## শুভেচ্ছাবাণী

*It pleases me to know that, the Jhanji HNS College Teachers' Unit is taking a venture for publishing the second issue of its Journal. The Teachers' Unit of this college has a good reputation and it has been successful in creating a good tradition through its involvement in academic and various student oriented and society-friendly activities. It needs special mention that the teachers' unit has been playing a very strong and positive role in the all-round development of the college. The Teachers' unit since the inception of the college has been associated with the ACTA and contributing towards the growth and development of the Assam College Teachers' Association (ACTA).*

*I wish that the recent publication of the teachers' unit will be able to attract the attention of the academician as well as learned section of the society.*

*Anil Gogoi*
*(Dr. A. K. Gogoi)*

<u>চিন্তাকল্প</u> ঃ ❒ (ক)

# সম্পাদকীয়

***<u>আত্মসমালোচনাৰে কিছুকথা</u>*** ..........................

একান্তই সৰলীকৃত নকৰাকৈ চাক্ষুক অভিজ্ঞতাজনিত কিছু নেতিবাচক কথাৰে সম্পাদকীয় চ'ৰাত হাত বুলাবলৈ লৈছো। ইয়াত আমাৰ অকনো আত্ম সন্তুষ্টি অহা নাই। *The common complaints of people today as regards higher education is that teachers of higher education donot attend their classes regularly, pay least attention to their works, keep busy in private tuition or allied works, to earn extra money and resort to frequent strikes against the authority ................*

মানৱ সম্পদ গঢ়ি তোলা উচ্চ আৰু উন্নত কাৰিকৰ সকলৰ ওপৰত অনা এই সৰু বৰ কথাবোৰ একেবাৰে উলাই কৰিব নোৱাৰি। বিশ্ববিদ্যালয়ৰ অনুদান আয়োগেও পাঁচঘণ্টা সময় কলেজত শিক্ষক সকল থকাৰ কথাটো বাধ্যতামূলক কৰাৰ প্ৰাসঙ্গিকতা নোহোৱা নহয়। ৰাষ্ট্ৰীয় মূল্যায়ন আৰু প্ৰত্যায়ন পৰিষদ (NAAC)ৰ দল অহাৰ আগতে শিক্ষক, অনাশিক্ষক সকলো কৰ্মচাৰীয়ে ৰাতি এডোখৰলৈকে কাম কৰা শিক্ষানুষ্ঠান বোৰ এতিয়া বিয়লি ১ বজাৰ পাছত নিজম পৰে। নাকৰ পৰিদৰ্শনে কলেজসমূহৰ আন্তঃগাঁথনিকে ধৰি বাহ্যিক কিছুমান দিশত চকুত পৰা ধৰণৰ পৰিবৰ্তন আনিলে। কিন্তু ইয়াৰ দ্বাৰা আমাৰ সন্মুখলৈ আহি থকা সমস্যা আৰু প্ৰত্যাহবানবোৰৰ লগত মোকাবিলা কৰিব পাৰিমনে? সকলো কৰ্মচাৰীয়ে অহা আৰু যোৱাৰ এটা নিৰ্দিষ্ট সময় আছে যেতিয়া কলেজ শিক্ষকৰ নাথাকিব কিয়?

***<u>সামাজিক দায়বদ্ধতাৰ প্ৰসঙ্গৰে</u>*** ................

প্ৰতিবছৰে জানুৱাৰী মাহৰপৰাই মহাবিদ্যালয় সমূহত ছাত্ৰ-ছাত্ৰী নোহোৱা হয়। মহাবিদ্যালয়লৈ আহি শ্ৰেণীকক্ষত সোমাবলৈ টান পোৱা ছাত্ৰ-ছাত্ৰীৰ সংখ্যাও নিচেই তাকৰ নহয়। পৰীক্ষাৰ প্ৰশ্নকটাৰ পৰা ফলাফল ঘোষণা কৰালৈকে গোটেই প্ৰক্ৰিয়াটোৰ লগত শিক্ষক সকলেই জড়িত থাকিব লগা হয়। এই দায়িত্ববোৰ নিয়াৰিকৈ পালন কৰাটোও আমাৰ একান্ত কৰণীয়।

*"In higher education, teachers are not solely a teachers in the classroom. Teaching, research and extension are three integral functions of teachers in the higher institutions of higher learning."*

চিন্তাকল্প ঃ ❒ (খ)

— এনে অৰ্থত আমি আগবাঢ়ি গ'লে আমাক বান্ধি দিয়া পাঁচঘণ্টীয়া লক্ষ্মণৰেখাও যে অতিক্রম কৰিব লাগিব তাত সন্দেহৰ অৱকাশ নাই। উচ্চ ডিগ্ৰীধাৰী আমালৈ সমাজখনে বাট চাই আছে। আজিৰ বিশ্বৰ গোলকীকৰণ, উদাৰীকৰণ, ব্যক্তিগতকৰণৰ ধামখুমীয়াত শিক্ষা বাণিজ্যিক পন্যলৈ ৰূপান্তৰিত হৈছে। এনে এক জটিল সন্ধিক্ষণত সাম্প্রতিক প্রয়োজন সাপেক্ষ পাঠ্যক্রম, তথ্য প্ৰযুক্তিৰ যুগত পাঠদানৰ কৌশল (Teaching technology) ৰ পৰিবৰ্তন, নিত্য নতুন ক্ষেত্ৰত গৱেষণা আদি কাৰ্যক্ৰমণিকাৰ মাজত সোমাই জীৱন আৰু জীৱিকাৰ মাজেদিয়েই আমাৰ সামাজিক দায়বদ্ধতাকো স্বীকাৰ কৰি লব লাগিব।

*ছাত্ৰ-ছাত্ৰীৰ বৰ্হিগমন, গুণগত শিক্ষা ইত্যাদি কথাৰে ....................*

উত্তৰ পূবৰ পৰা বাহিৰৰ শিক্ষানুষ্ঠান বোৰলৈ ছাত্ৰ-ছাত্ৰীৰ বৰ্হিগমন ঘটিছে। ই অতিশয় আমাৰ বাবে স্পৰ্শকাতৰ বিষয় হৈ পৰিছে। আমাৰ সাধাৰণ পাঠ্যক্ৰমৰ উচ্চ শিক্ষানুষ্ঠান বোৰত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ক্ৰমহ্ৰাসমান ধাৰাৰ বিপৰীতে বাহিৰৰ শিক্ষানুষ্ঠানবোৰত ভিৰ হোৱা পৰিলক্ষিত হৈছে। এনে শিক্ষানুষ্ঠানবোৰত ৮০% ৰ ৮৫% লৈকে নামভৰ্তিৰ নুন্যতম নম্বৰ ধাৰ্য কৰা হৈছে। ইয়াৰ বাবে চৰকাৰী তথা বৌদ্ধিক মহলত বস্তুনিষ্ঠ ভাৱে আলোচনা কৰি উপযুক্ত আঁচনি যুগুত কৰাৰ জৰুৰী প্ৰয়োজন হৈ পৰিছে। ইয়াৰ লগতেই জড়িত হৈ আছে আমাৰ সকলোৰে মুখত চৰ্চিত গুণগত শিক্ষা (quality education) ৰ উন্নয়ন দিশটো। অসমত শিক্ষাৰ গুণগত মানদণ্ড উন্নয়নৰ বাবে প্ৰাথমিক স্তৰৰ পৰাই পৰিকল্পিত ভাৱে নীতি যুগুত কৰিব লাগিব। পৰিমাণগত ভাৱে আমাৰ ডিগ্ৰীধাৰী সংখ্যা বাঢ়িছে যদিও ক্ৰমবৰ্দ্ধমান গতিত নিৰনুৱা সমস্যা বৃদ্ধি পাইছে। ইয়াৰ বাবে বাহিৰৰ অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত ফেৰ মাৰিব পৰা পাঠ্যক্ৰম কিম্বা আন্তঃগাথনিৰ উন্নয়নেই নহয়, শিক্ষিত সকল তথা শিক্ষাৰ পূজাৰীসকলৰ গুণগত মানৰ উন্নয়নৰো প্ৰয়োজন আছে।

মহাবিদ্যালয়ৰ **শিক্ষক গোটৰ বিষয়ে ....**

সেইয়া আছিল ১৯৬৭ চনৰ চেপ্তেম্বৰ মাহ। মাত্ৰ এঘাৰ জন সদস্যৰে "জাঁজী কলেজ শিক্ষক গোট" প্ৰতিষ্ঠা কৰা হয়। শিক্ষক গোট গঠন হ'বৰ সময়ত এই কলেজৰ নাম "জাঁজী কলেজ" আছিল। সেয়ে শিক্ষক গোটৰ নাম আছিল "জাঁজী কলেজ শিক্ষক গোট"। ১৯৬৭ চনতে অৰ্থাৎ গঠন হোৱাৰ বছৰত আমাৰ শিক্ষক গোটে অসম কলেজ শিক্ষক সংস্থাৰ স্বীকৃতি লাভ কৰে। ১৯৬৮ চনত যোৰহাটত অনুষ্ঠিত অসম কলেজ শিক্ষক সংস্থাৰ ১৮ তম্ অধিবেশনত আমাৰ শিক্ষক গোটৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে। তেতিয়াৰ পৰা প্ৰতিখন অধিবেশনতে আমাৰ গোটৰ প্ৰতিনিধিয়ে অংশ গ্ৰহণ কৰি আহিছে আৰু বিভিন্ন সময়ত অসম কলেজ শিক্ষক সংস্থাৰ

গুৰু দায়িত্ব বহন কৰি আহিছে। জিলা সমিতিৰ উপৰিও কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক, পত্ৰিকা সম্পাদক, সাংগঠনিক সম্পাদক, সাধাৰণ সম্পাদকৰ দৰে দায়িত্ব পালন কৰাৰ উপৰিও আমাৰ গোটৰ সদস্য শ্ৰীজ্যোতি প্ৰসাদ গগৈয়ে বৰ্তমানে সংস্থাৰ সভাপতিৰ আসন অলংকৃত কৰাটো আমাৰ বাবে গৌৰৱৰ বিষয়। এই ছেগতে গোটৰ তৰফৰ পৰা শ্ৰীগগৈ ডাঙৰীয়ালৈ আমাৰ শুভেচ্ছা আনুষ্ঠানিক ভাৱে আগবঢ়াইছো। শ্ৰীগগৈ দেৱৰ নেতৃত্বৰ সময়ছোৱাতে কলেজ শিক্ষকৰ পেঞ্চনৰ দৰে ঐতিহাসিক এটা ৰায়ে বাস্তৱ ৰূপ লাভ কৰিছে।

*চিন্তা কল্পৰ নেপথ্যৰ কথাৰে ....................*

"জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ত প্ৰতিষ্ঠাৰ সময়ৰ পৰাই বৌদ্ধিক চিন্তাচৰ্চা অব্যাহত আছে। আমাৰ শিক্ষক সকলে বিভিন্ন কাকত আলোচনীত লিখামেলাৰ উপৰি বিভিন্ন পাঠ্যপুথি তথা অন্যান্য গ্ৰন্থ আদি ৰচনা কৰি প্ৰশংসিত (Associatio অধ্যক্ষ শ্ৰীযুত শিৱনাথ শৰ্মা, ৰজনী গোস্বামী, চিত্ৰলতা ফুকন, ড° কৃষ্ণকান্ত সন্দিকৈ, ড° জগন্নাথ মহন্ত, ড° অকন চন্দ্ৰ শইকীয়া, যতীন বৰা প্ৰভৃতি শিক্ষক সকল অসমৰ পৰিচিত লেখক। নতুন চামৰ মাজতো এই ধাৰা অব্যাহত আছে। এই সকলৰ জীৱনযোৰা সাধনাৰ পথ অনুসৰণ কৰাৰ ফলশ্ৰুতিয়েই 'জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ শিক্ষক গোটৰ পত্ৰিকা'। এই সংখ্যাৰ পৰা গোটৰ পত্ৰিকাৰ নামাকৰণ কৰা হৈছে চিন্তাকল্প। চিন্তাকল্প যথেষ্ট খৰখেদাকৈ প্ৰকাশ কৰি উলিওৱা হৈছে। লক্ষ্য — জিলাৰ মাগুলিক অধিবেশনতে ইয়াক সুধীসমাজৰ মাজত তুলি দিয়া। অৱশ্যে বহুকেইজন শিক্ষক বন্ধুৱে প্ৰতিশ্ৰুতি দিও সময়মতে লিখনি আগনবঢ়ালে। তথাপি চিন্তাকল্পক প্ৰকাশত সম্পাদকক বিভিন্ন দিহা পৰামৰ্শৰে সহায় আগবঢ়োৱা গোটৰ প্ৰাক্তন সভাপতি, সম্পাদক বৰ্তমানৰ সভাপতি সম্পাদক, হৰেন বৰুৱা ছাৰ, কেন্দ্ৰীয় সমিতিৰ সভাপতি জ্যোতি গগৈদেৱ, ভাতৃপ্ৰতীম প্ৰবক্তা জীৱমনি নাথ আৰু ৰাজীৱ শৰ্মাৰ ওচৰত কৃতজ্ঞতা প্ৰকাশ কৰিছো। শিক্ষক সকলৰ গাঁঠিৰ ধনেৰে প্ৰকাশ কৰা আলোচনী খনিয়ে ছাত্ৰ-ছাত্ৰী তথা সুধীসমাজৰ অকনমান উপকাৰ সাধন হ'লে সমূহ শিক্ষক-শিক্ষয়িত্ৰী উৎসাহিত হ'ব। শেষত কেইটামান দিনৰ ভিতৰতে আলোচনী খন প্ৰকাশ কৰি দিয়া বাবে স্বত্বাধিকাৰিনী তথা অন্যান্য কৰ্মচাৰী সকললৈ শ্ৰদ্ধা আৰু শুভেচ্ছা আগবঢ়ালো।

*সম্পাদক*

*(বিৰিঞ্চি কুমাৰ বৰা)*

চিন্তাকল্প ঃ ❒

# সূচীপত্ৰ / *Contents*


1. আছিয়ান ঃ ভাৰতৰ লগত ইয়াৰ সম্পৰ্ক — বসন্ত সন্দিকৈ
2. চৈয়দ আব্দুল মালিকৰ উপন্যাসত নদী — অঞ্জু বৰা
3. ভাৰতীয় স্বাধীনতা সংগ্ৰামত বৈপ্লৱিক সন্ত্ৰাসবাদী সকলৰ অৱদান — তীৰ্থ বৰুৱা।
4. ঐতিহাসিক পটভূমিত ভাৰতৰ সমন্বিত শিক্ষা — পৰাগ ৰাজখোৱা
5. সাম্প্ৰতিক প্ৰেক্ষাপটত অসমীয়া অনুবাদ সাহিত্য ঃ এক চমু আলোকপাত — জীৱমণি নাথ
6. পৰৱৰ্তী কালৰ সংস্কৃত সা হ পৰিছে। আমাৰ তৰ প্ৰভাৱ — ৰাজীৱ শৰ্মা
7. এটি মৃত্যুহীন গান (গল্প) — চন্দন দত্ত
8. শাওণৰ গান/মাটি ভাঙি আহে মালতী (কবিতা) — সঞ্জীৱ কুমাৰ দত্ত

***English Section***

9. Role of Teacher in an Emerging Cociety – R. K. Goswami
10. Globalisation and Problems of Poor Nations – Kundil Kr. Mudoi.
11. Yoga Education : A Way to a Stable Society – R. R. Goswami
12. Teaching and course curricullam for Quality Education – Bidyadhar Baruah
13. Rosy Night / A True that whispers (Poem) – B. J. Mahanta
14. Annual Progress Report of the College ......
15. Name of the members and office bearers of Jhanji H. N. S. College Teachers' Unit